**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-11-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

**---------------------------**

চেন্নাইৰ এখন চিকিৎসালয়ত কালি দেহাৱসান ঘটা বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ নশ্বৰদেহ আজি কিছু সময় পূৰ্বে বিমানেৰে অসমলৈ অনা হয়। বিমানবন্দৰত বাঁহী বাদকৰ দলে শিল্পীগৰাকীক বাঁহীৰ সুৰেৰে শ্ৰদ্ধাঞ্জলি জনায়।

ইয়াৰ পাছতে তেওঁৰ নশ্বৰ দেহ গুৱাহাটীৰ অম্বিকাগিৰি নগৰৰ বাসগৃহলৈ লৈ অহা হৈছে। বাসগৃহত আত্মীয়-স্বজনে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জনোৱাৰ পাছত অম্বিকাগিৰি নগৰৰ সেউজ সংঘৰ বাকৰিত শিল্পীগৰাকীৰ নশ্বৰ দেহ ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে ৰখা হৈছে। দিনৰ দুই বজালৈ গুণমুগ্ধসকলে শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। ইয়াৰ পাছতে নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে শিল্পীগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে অসমৰ সংগীত জগতলৈ অনবদ্য অৱদান আগবঢ়োৱা বাঁহীবাদকগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে তেওঁক চেন্নাইলৈ নিয়া হৈছিল। শেহতীয়াকৈ শিল্পীগৰাকীৰ স্বাস্থ্যৰ অৱস্থা অধিক জটিল হৈ পৰাৰ পাছত কালি পুৱা শিল্পীগৰাকীৰ মৃত্যু হয়।

আকাশবাণীৰ বি-হাইগ্ৰেড লাভ কৰা শিল্পীগৰাকী আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত সংগীত পৰিচালকো আছিল। তেওঁ কেইবাখনো অসমীয়া চিনেমাৰ সংগীত পৰিচালনাও কৰিছিল।

০০০০০০০

অসম প্ৰকাশন পৰিষদে ২০২৫ বৰ্ষৰ প্ৰকাশন পৰিষদ সাহিত্য বঁটাৰ বাবে গ্ৰন্থ আহ্বান কৰিছে। ২০২২ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৪ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্য গ্ৰন্থৰ মাজৰ পৰা বাছনি লাভ কৰা গ্ৰন্থৰ লেখক আৰু প্ৰকাশকক এই বঁটাৰে সন্মানিত কৰা হ'ব। পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই বঁটা লাভ কৰা গ্ৰন্থৰ লেখকক ৫ লাখ টকাৰ সৈতে মানপত্ৰ আৰু প্ৰকাশকক ৩ লাখ টকাৰ সৈতে মানপত্ৰ দিয়া হ'ব। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ লেখক অথবা প্ৰকাশকে প্ৰ-পত্ৰ পূৰণ কৰি প্ৰকাশন পৰিষদলৈ প্ৰেৰণ কৰিব পাৰিব। আবেদনপত্ৰৰ সৈতে গ্ৰন্থৰ দুটা কপি অহা ২০ নৱেম্বৰৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। ডাকযোগে প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ চাৰিটা কপি প্ৰেৰণ কৰিব পাৰিব অথবা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয়ত নিৰ্ধাৰিত তাৰিখৰ ভিতৰত জমা দিব লাগিব। প্ৰয়োজনীয় প্ৰ-পত্ৰ অসম প্ৰকাশন পৰিষদৰ ৱেবছাইটত পোৱা যাব।

০০০০০০০

সোণোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত স্থাপিত **সোণোৱাল কছাৰী কাৰচাৰেল চ'ছাইটিৰ** প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কালি অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ দুলীয়া-ডাইনীজান বাইথ' মন্দিৰত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অসম জনজাতি

সাংস্কৃতিক মহাসভাৰ সভাপতি তথা গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত সঞ্চালক দেৱেন্দ্ৰ নাথ বসুমতাৰীয়ে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ জনজাতীয় ভাষা-সংস্কৃতিৰ প্ৰতি ভাবুকি অহাৰ কথা প্ৰকাশ কৰি কয়, যে বৰ্তমান কৃষ্টি-সংস্কৃতিসমূহৰো বৈশিষ্ট লোপ পাইছে। জনজাতীয় কৃষ্টিয়ে যথাযোগ্য সমাদৰ লাভ কৰা নাই বুলি মন্তব্য কৰি শ্ৰী বসুমতাৰীয়ে কয়, যে ইয়াৰ বাবে জনজাতীয় সংস্কৃতিবান লোকসকলে ঐক্যবদ্ধভাৱে কাম কৰি যাব লাগিব। বাইথ' সংস্কৃতিৰ সাধক প্ৰমোদ চন্দ্ৰ সোণোৱাল, শান্তনু দাস বৰ হাজোৱাল, জয়ৰাম হাজৰিকা, ভূপতি বৰুৱা আৰু হেৰম্বা সোণোৱালক সম্বৰ্ধনা জনোৱা হয়।

oooooooo

নগাঁও জিলাৰ একাংশ শিক্ষানুষ্ঠানত ৰাজ্য চৰকাৰৰ নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণৰ নামত উৎকোচ লোৱাৰ অভিযোগত কালি এগৰাকী কৰ্মচাৰীক নিলম্বন কৰা হয়। নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই কালি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে এই প্ৰপত্ৰ দিয়াৰ বিনিময়ত উৎকোচ লোৱা নগাঁও ডচন বহুমুখী বিদ্যালয়ৰ তৃতীয় বৰ্গৰ সহায়ক প্ৰৱণ বৰাক তৎকালে কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰা হৈছে। বিদ্যালয়খনৰ অধ্যক্ষ তপন বৈদ্যলৈও কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। উল্লেখযোগ্য যে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কালি আকস্মিকভাৱে চলোৱা অভিযানত এই উৎকোচ গ্ৰহণৰ কথা পোহৰলৈ আহে।

ooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ আজি আৰম্ভ হ'ব। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী, লখিমপুৰ, ধেমাজি আৰু নামনি অসমৰ হাউলী, পলাশবাৰী, টিহু, নলবাৰী, পাঠশালা, পাটাছাৰকুছি, তামুলপুৰ, নগাঁও, মৰিগাঁৱকে ধৰি বিভিন্ন ঠাইত ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। যোৱা এমাহজোৰা আখৰাৰ পাছত শিল্পী, কলা-কুশলীসকলে ৰাস মহোৎসৱৰ শ শ বছৰীয়া পৰম্পৰা পালনৰ বাবে সাজু হৈছে।

মাজুলীৰ ৬৭ খন ৰাস মহোৎসৱৰ কেইবাখনো আজিৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

নলবাৰীৰ শ্ৰী শ্ৰী হৰি মন্দিৰত কাইলৈৰ পৰা ১৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। ৯৮ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হাউলি ৰাস মহোৎসৱত এইবাৰ সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতি বিশেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হ'ব।

ooooooo

**সমাপ্ত**